জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৯/২০২০

# সৰুসজাই কোৱাৰেন্টাইন চেন্টাৰ পৰিদৰ্শন কৰি ইয়াৰ সা-সুবিধাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৪ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ সৰুসজাই ক্ৰীড়া চৌহদত স্থাপন কৰা কোৱাৰেন্টাইন চেন্টাৰ পৰিদৰ্শন কৰি ইয়াত উপলব্ধ থকা স্ক্ৰীনিং, পঞ্জীয়ন, পৰীক্ষণ ইত্যাদি ব্যৱস্থাসমূহৰ বুজ লয়। স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে উক্ত কোৱাৰেন্টাইন চেন্টাৰ পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কোৱাৰেন্টাইন চেণ্টাৰত অহৰ্নিশে কৰ্তব্যৰত বিষয়া-কৰ্মচাৰীৰ সৈতে মত-বিনিময় কৰি এই চেন্টাৰত থকা সকলো ব্যক্তিলৈ যথাসম্ভৱ সৰ্বোৎকৃষ্ট সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনায়।

উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ ভিত্তিত অসম চৰকাৰে ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সমগ্ৰ ৰাজ্যতে আঞ্চলিক স্বাস্থ্য পৰীক্ষণ কেন্দ্ৰ আৰু কোৱাৰেন্টাইন চেণ্টাৰ স্থাপন কৰিছে। সৰু সজাই ইনডোৰ ষ্টেডিয়ামত স্থাপন কৰা এই কোৱাৰেন্টাইন চেণ্টাৰত এতিয়ালৈকে ২২৮৬ গৰাকী ব্যক্তিক কোৱাৰেন্টাইনৰ সুবিধা প্ৰদান কৰা হৈছে। ইয়াৰে ১১০৯ গৰাকী ব্যক্তিক ইতিমধ্যে ঘৰলৈ যাবলৈ দিয়া হৈছে। তদুপৰি অসমৰ বাহিৰৰ পৰা ৰাজ্যখনলৈ বহু সংখ্যক লোকৰ আগমনৰ পৰিপ্ৰেক্ষিতত ৬১ খন হোটেলক কোৱাৰেন্টাইন চেণ্টাৰ হিচাপে মনোনীত কৰাৰ পদক্ষেপ লোৱা হৈছে।

কোৱাৰেন্টাইন চেণ্টাৰ পৰিদৰ্শনৰ পিছত ইয়াত উপস্থিত তথা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ক'ভিড -১৯ ৰ বিৰুদ্ধে চলোৱা এই যুঁজত চৰকাৰলৈ সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে অৱতীৰ্ণ যুঁজত ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে সকলো ধৰণৰ মানসম্পন্ন প্ৰয়াস চলাব বুলিও দোহোৰাৰ লগতে এই ভাইৰাছৰ সংক্ৰমণ হোৱা ব্যক্তিসকললৈও সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে এই সংক্ৰমণ হোৱা ব্যক্তিসকলক কোনো কাৰণতে অৱহেলা নকৰাৰ বাবেও সকলোকে আহ্বান জনায়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়া, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, জিলা উন্নয়ন আয়ুক্ত অতুল কুমাৰ শৰ্মা, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালককে ধৰি অন্যান্য বিষয়াবৰ্গ উপস্থিত আছিল।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১৪/৫/২০২০**